BU/EX/PG/SEM-4/4.03

# 2018
# ASSAMESE
## ASM : 4.03 (A)
## STUDY ON SPECIAL AUTHOR

Full Mark : 80

Time : 3 Hours

*The figures in the margin indicates full marks for the questions*

১। উত্তৰ লিখা ঃ ১×১০=১০

ক) মামণি ৰয়ছম গোস্বামীৰ প্ৰথম ৰচনাখনৰ নাম কি আছিল?

খ) মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা' উপন্যাসখন কি নামেৰে ইংৰাজী ভাষালৈ অনূদিত হৈছে?

গ) কোনখন বিশ্ববিদ্যালয়ে মামণি ৰয়ছম গোস্বামীক 'প্ৰফেছৰ অৱ এমেৰিটাছ' সন্মান প্ৰদান কৰিছে?

ঘ) মামণি ৰয়ছম গোস্বামীয়ে লাভ কৰা ইউৰোপৰ সৰ্বোচ্চ সাহিত্য বঁটাটোৰ নাম কি?

ঙ) 'থেং ফ্ৰাখ্ৰী' মামণি ৰয়ছম গোস্বামীৰ কোনখন উপন্যাসৰ প্ৰধান চৰিত্ৰ?

চ) মামণি ৰয়ছম গোস্বামীয়ে কোন চনত 'অসম ৰত্ন' বঁটা লাভ কৰিছে?

ছ) মামণি ৰয়ছম গোস্বামীৰ কোনখন উপন্যাসৰ আধাৰত 'অদাহ্য' নামৰ কথাছবিখন নিৰ্মাণ হৈছে?

জ) মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সৃষ্টিকৰ্ম সম্বলিত 'হৃদয়ৰ উপস্বিনী' শীৰ্ষক গ্ৰন্থখন কোনে সম্পাদনা কৰিছে?

ঝ) মামণি ৰয়ছম গোস্বামীৰ কবিতা সংকলন এখনৰ নাম লিখা।

ঞ) মামণি ৰয়ছম গোস্বামীয়ে শ্বিলঙৰ কোনখন বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল?

২। চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

ক) শক্তিপীঠ কামাখ্যাৰ উল্লেখ থকা মামণি ৰয়ছম গোস্বামীৰ দুখন উপন্যাসৰ নাম লিখা।

খ) মামণি ৰয়ছম গোস্বামীয়ে কি বিষয়ত আৰু কোন চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল?

গ) 'দিল্লী ৫ নৱেম্বৰ, ১৯৯১' গল্পৰ দুটা চৰিত্ৰৰ নাম লিখা।

ঘ) মামণি ৰয়ছম গোস্বামীৰ গল্পৰ দুটা প্ৰধান বিষয়বস্তু উল্লেখ কৰা।

ঙ) মামণি ৰয়ছম গোস্বামীয়ে অনুবাদ কৰা দুখন গ্ৰন্থৰ নাম লিখা।

৩। চমুটোকা লিখা ঃ (যিকানো দুটা) ৫×২=১০

ক) 'নীলকণ্ঠী ব্ৰজ' উপন্যাসৰ শশী চৰিত্ৰ

খ) মাৰ্ক চাহাব

গ) মামণি ৰয়ছম গোস্বামীৰ গল্পত মানৱতাবাদ

ঘ) মামণি ৰয়ছম গোস্বামীৰ গদ্যৰীতি

৪। 'ভুল ঠিকনা' গল্পৰ লীলাৱতী আৰু মোহিনী চৰিত্ৰ দুটিৰ এক তুলনামূলক বিশ্লেষণ আগবঢ়োৱা। ৭

অথবা

'নাঙঠ চহৰ' গল্পটোৰ নামকৰণৰ তাৎপৰ্য ফঁহিয়াই দেখুওৱা। ৭

৫। 'আধালেখা দস্তাবেজ'ত বৰ্ণিত মামণি ৰয়ছম গোস্বামীৰ শৈশৱৰ চিত্ৰ সম্পৰ্কে এক আলোচনা যুগুত কৰা। ৭

অথবা

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত কামৰূপী কথিত ভাষাৰ প্ৰয়োগ সম্পৰ্কে এটি নিৱন্ধ প্ৰস্তুত কৰা। ৭



তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

৬। মামণি ৰয়ছম গোস্বামীৰ গল্পৰ বিষয়বস্তু আৰু আংগিক সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা। ১২

৭। 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত সমাজ বাস্তৱতাৰ কোনবোৰ দিশ ফুট উঠিছে, উদাহৰণসহ দেখুওৱা। ১২

৮। অধিবাস্তৱবাদী উপন্যাস হিচাপে 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনৰ এটি আলোচনা আগবঢ়োৱা। ১২

৯। মামণি ৰয়ছম গোস্বামীৰ 'আধালেখা দস্তাবেজ'ক লেখিকাৰ আত্মজীৱনী আখ্যা দিব পাৰিনে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰা। ১২

১০। 'চন্দ্ৰপ্ৰসাদ শইকীয়া'ৰ মতে, "সমাজৰ বিশেষকৈ বঞ্চিত শ্ৰেণীৰ জীৱন কাহিনী ৰূপায়ণত মামণি তুলনাবিহীন।"

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ আধাৰত মন্তব্যটিৰ যথাৰ্থতা বিশ্লেষণ কৰা। ১২

★★★★★